**FACULTY HIGHER SECONDARY SCHOOL**
**SAMPLE PAPER (2019 __2020)**
**SUB__ ASSAMESE**
**CLASS _ VII**
**TIME _3 Hrs F. M._80**

**(ক অংশ __১০)**

**(১) তলত দিয়া দফাটো মনোযোগেৰে পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ লিখা ।**

**যি কেই গৰাকী মহান অসমীয়াই অসমৰ সাহিত্য - সংস্কৃতিৰ হকে অভূতপূৰ্ব অৱদান আগবঢ়াই গ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা সেইসকলৰ ভিতৰত অন্যতম । ১৯০৩ চনৰ ১৭ জুনত ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিছাত তেওঁৰ জন্ম হয় । তেওঁৰ পিতৃৰ নাম আছিল পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম আছিল কিৰণময়ী । জ্যোতিপ্ৰসাদৰ ককাক হৰিবিলাস আগৰৱালাই পোন প্ৰথমে "কীৰ্ত্তন " আৰু " নামঘোষা" পুথি দুখন অসমীয়া ভাষাত ছপা কৰি উলিয়াইছিল । এই হৰিবিলাস আগৰৱালাৰ দ্বিতীয় জন পুত্ৰ প্ৰসিদ্ধ কবি চন্দ্ৰকুমাৰ আগৰৱালাক আমি প্ৰতিমাৰ খনিকৰ বুলিও জানো । তেওঁৰ কবিতা পুথি দুখন হৈছে প্ৰতিমা আৰু বীণবৰাগী ।**

**ছাত্ৰাৱস্থাতেই তেওঁ শোণিত কুঁৱৰী নাট ৰচনা কৰিছিল । তেওঁৰ অন্যান্য নাট সমূহ হ'ল ___ কাৰেঙৰ লিগিৰী , ৰূপালীম , ৰূপকোঁৱৰ ,নিমাতী কইনা ,সোণ পখিলা , লভিতা , খনিকৰ ,কনকলতা আৰু সুন্দৰ কোঁৱৰ । দুখৰ বিষয় যে এইজনা সুন্দৰৰ পূজাৰীৰ ১৯৫১ চনত মাত্ৰ ৪৮ বছৰ বয়সতে মৃত্যু হয় । শিল্পী জনাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ মৃত্যু দিৱস ১৭ জানুৱাৰীৰ মৃত্যুৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰা হয় ।**

**ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম কেতিয়া হয় ? (১)**
**খ) তেওঁৰ মাক আৰু দেউতাকৰ নাম কি ? (১)**
**গ) তেওঁৰ ককাকে কোন দুখন পুথি অসমীয়া ভাষাত ছপা কৰি উলিয়াইছিল ? (১)**
**ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ অইন এটা নাম কি ? (১)**
**ঙ) চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা কৰা কবিতা পুথি দুখনৰ নাম কি ? (১)**
**চ) জ্যোতিপ্ৰসাদ আগৰৱালাই ছাত্ৰাৱস্থাত ৰচনা কৰা নাট খনৰ নাম কি ? (১)**
**ছ) তেওঁ ৰচনা কৰা চাৰিখন নাটকৰ নাম লিখা । (২)**
**জ) এই জনা শিল্পীৰ কেতিয়া মৃত্যু হয় আৰু তেওঁৰ মৃত্যুৰ দিনটো কি দিৱস হিচাপে পালন কৰা হয় ? (২)**

**(খ অংশ __২০)**

**( ২) ক) তলত দিয়া সংকেত বাক্য বোৰৰ আলমত এটা গল্প লিখি শিৰোনামা দিয়া । (৫)**

**সিংহ এটাই জন্তুবোৰ খাদ্যৰ বাবে বধ কৰে _____ জন্তুবোৰে নিৰ্ভয়ে থকাৰ বাবে সভা পাতিলে _____ সিংহক জনালে নিতৌ এটা জন্তু পঠাব _____ বুঢা শহাৰ পাল ______**

বাটত পলম ______ সিংহৰ খং _____ অইন এটা সিংহ ______ কুঁৱাত দেখুৱালে ______ সিংহ কুঁৱাত জপিয়াই মৰিল ।

## শহা আৰু সিংহ
------------------------

উত্তৰ = এখন হাবিত এটা বৰ প্ৰতাপী সিংহ ওলাইছিল । সি তাৰ খাদ্যৰ বাবে জন্তুবোৰ বধ কৰি ভয়ৰ সৃষ্টি কৰিছিল । নিৰ্ভয়ে থকাৰ দিহা কৰিবৰ বাবে জন্তুবোৰে এখন সভা পাতিলে । প্ৰতিদিনে এটা জন্তু খাদ্যৰ বাবে সিংহৰ ওচৰলৈ পঠাব বুলি সভাত সিদ্ধান্ত কৰি সিংহক জনাই দিলে । এনে সিদ্ধান্তত সিংহই সন্তোষ পালে ।

এদিন এটা বুঢ়া শহাৰ সিংহৰ খাদ্য হৈ যোৱাৰ পাল পৰিল । সি এটা বুদ্ধি পাঙি ইচ্ছা কৰিয়েই বাটত পলম কৰি উপস্থিত হ'ল । সিংহই খং কৰি সোধাত শহাই বাটত আন এটা সিংহই খাব খোজাত তাক এৰাই আহোতে পলম হোৱা বুলি ক'লে ।

সিংহটোৱে তৰ্জন-গৰ্জন কৰি সেই সিংহটো ক'ত আছে সোধাত শহাটোৱে বুদ্ধি কৰি তাক লৈ গৈ এটা কুঁৱাৰ পানীত দেখুৱাই দিলে । ছাঁটোকে অইন সিংহ বুলি ভাবি তাক মাৰিবৰ বাবে সিংহটো কুঁৱাত জপিয়াই পৰি মৰি থাকিল । বুঢ়া শহাই গৈ জন্তুবোৰক আনন্দৰ বাতৰি দি হাবিত নিৰ্ভয়ে থাকিবলৈ ল'লে ।

নাইবা

খ) তলৰ যিকোনো বিষয়ৰ ওপৰত এখন ৰচনা লিখা ।(৫)

I) বৰদিন ______

ক) আৰম্ভণি , খ) বৰদিনৰ কাহিনী ,গ) উৎসৱ পালন , ঘ) সামৰণি ।

II) ঈদ _____

ক) আৰম্ভণি , খ) ঈদ - উলফিটৰ মূল কথা ,গ) ঈদ - উজ-জহাৰ মূল কথা ,ঘ) সামৰণি ।

(৩) ভাব বহলাই লিখা ।(৫)

ক) য'তে বাঘৰ ভয় , তাতে ৰাতি হয় ।

নাইবা

খ) চোৰ গ'লে বুদ্ধি , বৰষুণ গ'লে জাপি ।

(৪) মামাৰ বিয়ালৈ যাব বাবে ছুটী বিচাৰি প্ৰধান শিক্ষকলৈ এখন আৱেদন লিখা । (৫)

(৫) বাক্য ৰচনা কৰা (১×৫=৫)

ক) শিক্ষক , খ) বতাহ , গ) বিৰিখ , ঘ) খৰাং , ঙ) বৰষুণ ।

(গ অংশ --২০)

(৬) বিপৰীত শব্দ লিখা । (১×৩=৩)

ক) প্ৰশংসা , খ) গুণ , গ) উপস্থিত ।

(৭) সমাৰ্থক শব্দ লিখা ।(১×৩=৩)
ক)বিশ্ব , খ) তযু , গ) থৰ ।

(৮) তলত দিয়া প্ৰত্যয় যোগ কৰি এটাকৈ শব্দ লিখা । (১×২=২)
ক) ই , খ) কৰ ।

(৯) তলত দিয়া শব্দ কেইটাৰ ণত্ববিধি হোৱাৰ নিয়ম লিখা ।(১×২=২)
ক) ঋণ , খ) তৰুণ ।

(১০) এটা শব্দত প্ৰকাশ কৰা ।(১×৩=৩)
ক) বৰকৈ কথা নোকোৱা মানুহ ।
খ) আনৰ ভাল দেখিব নোৱাৰা ।
গ) সহজে লাভ কৰা বস্তু ।

(১১) লিংগ পৰিৱৰ্তন কৰা । (১×৩=৩)
ক) ঈশ্বৰী , খ) মা , গ) ল’ৰা

(১২) ষত্ববিধি কাক বোলে লিখা আৰু ষত্ববিধি হোৱাৰ এটা নিয়ম লিখা । (২)

(১৩) তদ্ধিত প্ৰত্যয় কাক বোলে লিখা আৰু তদ্ধিত প্ৰত্যয়ৰ দুটা উদাহৰণ দিয়া ।(২)

(ঘ অংশ -- পদ্য ভাগ -----১০)

(১৪) সঠিক উত্তৰ বাছি উলিয়াই ( ) চিন দিয়া । (১×৪=৪)
ক) বিশ্বৰ পালক (ঈশ্বৰ / দানৱ )।
খ) খৰাং মানে বৰষুণ (নিদিয়া / দিয়া) বতৰ ।
গ) কৃপা পাত্ৰ মানে কৃপা পোৱাৰ (অনুপযুক্ত / উপযুক্ত)।
ঘ) খৰালি মানে (জহকাল /জাৰকালি ) ।

(১৫) তলত দিয়া প্ৰশ্ন বোৰৰ উত্তৰ দুশাৰী বা তিনি শাৰী বাক্যত লিখা । ( যিকোনো এটা ) (২×১=২)
ক) বিৰিখৰ সেউজীয়া ৰং আৰু আকাশৰ নীলা ৰং কেতিয়া নোহোৱা হয় ?
উত্তৰ = খৰাং কালত বৰষুণৰ অভাৱত বিৰিখৰ সেউজীয়া ৰং আৰু আকাশৰ নীলা ৰং নোহোৱা হয় ।
বৰষুণে বাৰিষা কাল আনিলে বুলি কৈছে ।
নাইবা
খ) "ঈশস্তুতি " কবিতাটোত কবিয়ে বিশ্বৰ পালক বুলি কাক কৈছে ? কবিয়ে কোন বাটত নিনিবলৈ ঈশ্বৰক স্তুতি কৰিছে ?

(১৬) তলত দিয়া প্ৰশ্ন বোৰৰ উত্তৰ চাৰী শাৰী বা পাঁচ শাৰী বাক্যত লিখা। (৪×১=৪)

ক) বৰষুণ কবিতাটিৰ মূলভাব লিখা।

নাইবা

খ) ব্যাখ্যা কৰা ------

" তোমাৰ মহিমা পৰম ঈশ্বৰ
বিশ্বৰ পালক তুমি
অতি কাৰুণিক পৰম দয়ালু
ধৰ্ম বিচাৰৰ স্বামী।"

উত্তৰ = উদ্ধৃত শাৰী কেইটা আমাৰ পাঠ্য পুথিৰ অন্তৰ্গত তৰুণৰাম ফুকন দেৱে লিখা "ঈশস্তুতি " নামৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে।

ভগৱানৰ যে মহিমা অপাৰ সেই কথা বুজোৱাৰ প্ৰসংগত কবিয়ে উক্ত শাৰী কেইটা কৈছে।

কবিয়ে ক'ব বিচাৰিছে যে ভগৱানৰ অলৌকিক শক্তি আছে। তেওঁ সমগ্ৰ বিশ্বৰ পালক। তেওঁ কৰুণাময়ী আৰু দয়াৰ সাগৰ। তেওঁ এই বিশ্বৰ পালক গৰাকীক প্ৰাৰ্থনা কৰিছে তেওঁ যেন সদায় ধৰ্মৰ পথত চলিব পাৰে।

(ঙ অংশ -- গদ্য ভাগ -------২০)

(১৭) তলত দিয়া প্ৰশ্ন বোৰৰ শুদ্ধ উত্তৰটোত ( ) চিন দিয়া।(১×৪=৪)

ক) ভিন ভিন ভাষাৰ শব্দ মিহলি কৰি কথা ক'ব ( লাগে / নালাগে )।

খ) ( অক্সিজেন গেছ / হাইড্ৰ'জেন গেছ ) বায়ুতকৈ পাতল।

গ)আনৰ সুখ - দুখক নিজৰ সুখ - দুখ বুলি ভাবিব ( নালাগে /লাগে )।

ঘ) ছেন্টড ডুমন্ট ( জাৰ্মানীৰ / ফ্ৰান্স ) দেশৰ লোক আছিল।

(১৮) তলত দিয়া প্ৰশ্ন বোৰৰ উত্তৰ দুশাৰী বা তিনি শাৰী বাক্যত লিখা। (২×৪=৮)

ক) যেপেলিনৰ প্ৰচলন কিয় বন্ধ হ'ব লগীয়া হ'ল ?

উত্তৰ = যেপেলিনৰ সহজে দুৰ্ঘটনা ঘটিছিল। তাৰোপৰি এৰোপ্লেন আছিল দ্ৰুতবেগী আৰু যেপেলিনৰ গতি আছিল মন্থৰ। গতিকে বেগী আৰু নিৰাপদ দুয়োটা গুণৰ অভাৱতে যেপেলিনৰ
প্ৰচলন বন্ধ কৰিব লগা হৈছিল।

খ) ৰতনে কি কি বস্তুত লোকচান হোৱা দেখা পালে আৰু তেওঁ ভঁৰাল ঘৰৰ পৰা কি চুৰ কৰা দেখা পালে ?

গ) কলিংগ বিজয়ৰ উল্লাস সম্ৰাট অশোকে কিয় উপভোগ কৰিব পৰা নাছিল ?

ঘ) ধাতুৰে নিৰ্মিত উৰাজাহাজ খনৰ নাম কিয় যেপেলিন ৰখা হৈছিল ?

(১৯) তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ চাৰী শাৰী বা পাঁচ শাৰী বাক্যত লিখা। (৪×২=৮)

ক) মানৱ সেৱাক ঈশ্বৰ সেৱাৰ সৈতে কিয় তুলনা কৰা হয় ?

**উত্তৰ = কিছুমান মানুহে আনৰ সুখ-দুখক নিজৰ সুখ - দুখ বুলি ভাবি মানৱ সেৱাৰ দৰে পৱিত্ৰ কাৰ্য কৰে। তেওঁলোকে কৰা কাৰ্যৰ কাৰণে তেওঁলোক মহীয়ান হৈ পৰে। সেয়েহে এই সেৱাক ঈশ্বৰসেৱাৰ লগত তুলনা কৰা হয়। এই মহান ব্যক্তি সকলে মানৱ সেৱাকেই জীৱনৰ ধৰ্ম হিচাপে গ্ৰহণ কৰে।**

**খ) সম্ৰাট অশোকক কিয় মহান অশোক বুলি কোৱা হয় ?**

××××××××××××××××××××××××××××××××××××××××××××